**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-10-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিভিন্ন চৰকাৰী বিভাগ আৰু সংস্থাত নতুনকৈ নিযুক্তি লাভ কৰা ৫১ হাজাৰৰো অধিক প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে চৰ্দাৰ বল্লভ ভাই পেটেলে দেশীয় ৰাজ্যসমূহক এখন ঐক্যবদ্ধ দেশ গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

৩। ঝাৰখণ্ড বিধানসভাৰ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়াৰ আজি বিয়লি ৩ বজাত সামৰণি পৰিব।

৪। জন্মু-কাশ্মীৰত আখনুৰ খণ্ডত আজি সুৰক্ষা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত দুজন সন্ত্ৰাসবাদী নিহত হয়।

আৰু

৫। ভাৰত আৰু নিউজিলেণ্ডৰ মহিলা ক্ৰিকেট দলৰ মাজৰ তিনিখনীয়া এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আৰম্ভ হৈছে।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিভিন্ন চৰকাৰী বিভাগ আৰু সংস্থাত নতুনকৈ নিযুক্তি লাভ কৰা ৫১ হাজাৰৰো অধিক প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰে। এই উপলক্ষে গুৱাহাটী সহ দেশৰ ৪০ টা স্থানত আয়োজন কৰা ৰোজগাৰ মেলাক ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰে সম্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে যুৱক-যুৱতীসকলক স্থায়ী চৰকাৰী চাকৰি প্ৰদানৰ প্ৰচেষ্টা অব্যাহত আছে। তেওঁ কয় যে দেশৰ যুৱ-প্ৰজন্মক কৰ্ম সংস্থাপনৰ সুযোগ প্ৰদান কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ। আমাৰ সংবাদদাতাই জনাইছে যে কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিভিন্ন বিভাগ আৰু মন্ত্ৰালয়ত নতুনকৈ নিযুক্তি লাভ কৰা প্ৰাৰ্থীসকলে কৰ্মযোগী প্ৰাৰম্ভৰ মাধ্যমেৰে বুনিয়াদী প্ৰশিক্ষণ প্ৰদান কৰা হ'ব iGOT কৰ্মযোগী প'ৰ্টেলত এই অনলাইন মডিউল আৰু এহেজাৰ ৪০০ ৰো অধিক ই-শিক্ষণ পাঠ্যক্ৰম উপলব্ধ। এই পাঠ্যক্ৰমসমূহে নৱ-নিযুক্ত প্ৰাৰ্থীসকলক বিকশিত ভাৰত নিৰ্মাণৰ ক্ষেত্ৰত ফলপ্ৰসু সেৱা আগবঢ়াব পৰাকৈ আৱশ্যকীয় দক্ষতাৰে সু-সজ্জিত কৰি তুলিব।

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ প্ৰেক্ষাগৃহত আয়োজিত এই মেলাত উপস্থিত থাকে।

oooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি পুৱা নতুন দিল্লীৰ মেজৰ ধ্যানচন্দ নেচনেল ষ্টেডিয়ামৰ পৰা পতাকা জোকাৰি একতাৰ দৌৰৰ শুভাৰম্ভ কৰে। ১৮৭৫ চনৰ ৩১ ডিচেম্বৰত জন্মগ্ৰহণ কৰা চৰ্দাৰ বল্লভ ভাই পেটেলৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি এই অনুষ্ঠানত ৮ হাজাৰ দৌৰবিদে অংশ লয়। এই উপলক্ষে গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে একতাৰ দৌৰ দেশৰ একতাৰ হকে লোৱা মাত্ৰ এটা সংকল্পই নহয়, বৰং এই দৌৰ সম্প্ৰতি বিকশিত ভাৰতৰ সংকল্পৰূপে পৰিগণিত হৈছে। চৰ্দাৰ বল্লভ ভাই পেটেলৰ অৱদানৰ কথা স্মৰণ কৰি শ্ৰী শ্বাহে কয় যে পেটেলে দেশীয় ৰাজ্যসমূহক এখন ঐক্যবদ্ধ দেশ গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

-বাইট -

চৰ্দাৰ বল্লভ ভাই পেটেলক ভাৰতৰত্ন প্ৰদান কৰাৰ ক্ষেত্ৰত হোৱা বিলম্বক লৈ প্ৰশ্ন উত্থাপন কৰি শ্ৰী শ্বাহে কয় যে বছৰ বছৰ ধৰি লৌহমানৱগৰাকীক পাহৰাই ৰখাৰ বাবে দুৰ্ভাগ্যজনক প্ৰচেষ্টা চলোৱা হৈছিল। তেওঁ কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে গুজৰাটত বিশ্বৰ সবাতোকৈ ওখ প্ৰতিমূৰ্তি স্থাপন কৰি চৰ্দাৰ পেটেলৰ স্মৃতি সজীৱ কৰি ৰখাৰ হকে কাম কৰিছে। দেশৰ একতা আৰু অখণ্ডতাৰ বাবে একতাৰ দৌৰ আয়োজন কৰি অহা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰী শ্বাহে কয় যে চৰকাৰে পোহৰৰ উৎসৱ দীপাৱলীৰ বাবে বৃহস্পতিবাৰৰ পৰিৱৰ্তে আজি এই দৌৰৰ আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

কেন্দ্ৰীয় মন্ত্ৰী মনসুখ মন্দাভিয়া, মনোহৰ লাল, নিত্যানন্দ ৰায় আৰু দিল্লীৰ উপ-ৰাজ্যপাল ভি কে চাক্সেনাই একতাৰ দৌৰৰ শুভাৰম্ভৰ অনুষ্ঠানত উপস্থিত থাকে।

একতাৰ দৌৰত অংশগ্ৰহণ কৰা আয়ুষী কাপুৰে আকাশবাণীৰ আগত কয় –

-বাইট-

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আয়ুৰ্বেদ দিৱস উপলক্ষে দেশবাসীক ওলগ জনাইছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কৈছে যে আয়ুৰ্বেদ সুস্থ জীৱনশৈলী বৰ্তাই ৰখাৰ দিশৰ পৰা সদায় উপযোগী হৈ থাকিব। তেওঁ কয় যে ভগৱান ধনন্তৰীৰ জন্মবাৰ্ষিকী আয়ুৰ্বেদৰ উপযোগিতা আৰু অৱদানৰ সৈতে জড়িত আৰু বিশ্বইও বৰ্তমান এই কথা স্বীকাৰ কৰিছে।

প্ৰধানমন্ত্ৰীয়ে লগতে ধনতেৰাছ উপলক্ষেও জনসাধাৰণক শুভেচ্ছা জনাইছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে ভগৱান ধনন্তৰীৰ আশীষেৰে সকলোৰে জীৱন সুস্থ, আনন্দময় আৰু সমৃদ্ধিশালী হ'ব বুলি আশা প্ৰকাশ কৰিছে। শ্ৰী মোদীয়ে নৱম আয়ুৰ্বেদ দিৱস আৰু ধনন্তৰী জয়ন্তী উপলক্ষে নতুন দিল্লীত ১২ হাজাৰ ৮৫০ কোটি টকা ব্যয়সাপেক্ষ স্বাস্থ্যখণ্ডৰ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে ৭০ বছৰ আৰু তাতকৈ উৰ্ধৰ জ্যেষ্ঠ নাগৰিকসকলৰ বাবে  স্বাস্থ্য বীমাৰ সম্প্ৰসাৰণ কাৰ্য মুকলি কৰে। আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ সৈতে অতিৰিক্তভাৱে সংযোজিত এই উদ্যমে আয় নিৰ্বিশেষে জ্যেষ্ঠ নাগৰিকসকলক স্বাস্থ্য বীমাৰ সুবিধাৰে সামৰি ল'ব।

০০০০০০০০০

ঝাৰখণ্ড বিধানসভাৰ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়াৰ আজি বিয়লি ৩ বজাত সামৰণি পৰিব। এই পৰ্যায়ত ২০ নৱেম্বৰত ৰাজ্যখনৰ ৩৮ টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। বৰ্তমানলৈকে ৬৩২ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। কাইলৈ মনোনয়ন সমূহ পৰীক্ষা কৰা হ'ব আৰু ইচ্ছুক প্ৰাৰ্থীসকলে পহিলা নৱেম্বৰ পৰ্যন্ত মনোনয়ন পত্ৰসমূহ প্ৰত্যাহাৰ কৰিব পাৰিব।

ইপিনে, বিধানসভা নিৰ্বাচনৰ সূচী বা দিন-বাৰ ঘোষণা কৰাৰ পাছৰে পৰা ৰাজ্যখনৰ বিভিন্ন অংশত চলোৱা তালাচী অভিযানত ৮৬ কোটি ৩২ লাখৰো অধিক নগদ ধন আৰু অবৈধ সামগ্ৰী জব্দ কৰা হৈছে। ৰাজ্যখনৰ নিৰ্বাচনী আচৰণবিধি উলংঘাৰ বাবে ২০ খন এজাহাৰ ৰুজু কৰা হৈছে।

০০০০০০০০০

জম্মু-কাশ্মীৰত নিৰাপত্তাৰক্ষীৰ গুলীত আজি জম্মুৰ আখনুৰ চেক্টৰৰ বনাঞ্চলত লুকাই থকা দুজন সন্ত্ৰাসবাদীৰ পুনৰ মৃত্যু হয়। ফলস্বৰূপে নিয়ন্ত্ৰণ ৰেখাৰ সমীপত দীৰ্ঘ সময়ধৰি সংঘটিত গুলীচালনাত নিহত সন্ত্ৰাসবাদীৰ সংখ্যা তিনিজনলৈ বৃদ্ধি হয়। আমাৰ সংবাদদাতাই জনাইছে যে উগ্ৰপন্থীসকলে কালি সেনাবাহিনীৰ কনভয়ৰ এম্বুলেন্সত আক্ৰমণ কৰিছিল। তিনিগৰাকী নিহত সন্ত্ৰাসবাদীৰ ভিতৰত এগৰাকী কালিৰ অভিযানত নিহত হৈছিল। আন দুজন সন্ত্ৰাসবাদী আজি আখনুৰ চেক্টৰৰ বাট্টাল-খৌৰ অঞ্চলত সেনা আৰু আৰক্ষী দলৰ যুটীয়া অভিযানত নিহত হয়। এনকাউণ্টাৰ শেষ হৈছে যদিও নিহত সন্ত্ৰাসবাদীসকলৰ মৃতদেহ উদ্ধাৰৰ বাবে অভিযান অব্যাহত চলি আছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি জনজাতীয় নেতা কাৰ্তিক ওৰাওনৰ জন্ম শতবাৰ্ষিকী উপলক্ষে শ্ৰদ্ধা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টযোগে শ্ৰীমোদীয়ে ওৰাওনক এগৰাকী মহান নেতা হিচাপে অভিহিত কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে- প্ৰয়াত ওৰাওনে জনজাতীয় সম্প্ৰদায়ৰ অধিকাৰৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰিছিল। তেওঁ জনজাতীয় সংস্কৃতি আৰু পৰিচয় সুৰক্ষিত কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল আৰু বঞ্চিতসকলৰ কল্যাণৰ বাবে তেওঁ আগবঢ়োৱা অৱদানে দেশবাসীক অনুপ্ৰাণিত কৰিব বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে।

০০০০০০০০০

ভাৰতে মানৱীয় সাহায্যৰ অংশ হিচাপে পেলেষ্টাইনৰ জনসাধাৰণৰ বাবে কৰ্কট ৰোগৰ চিকিৎসাত ব্যৱহৃত ঔষধ আৰু জীৱনদায়িনী ঔষধসহ ৩০ টন চিকিৎসা সামগ্ৰীৰ দ্বিতীয় খেপ প্ৰেৰণ কৰিছে। বিদেশ মন্ত্ৰ্যালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে আজি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে ভাৰতে পেলেষ্টাইনলৈ সহায় অব্যাহত ৰাখিব।

উল্লেখযোগ্য যে ভাৰতে যোৱা ২২ অক্টোবৰত ৩০ টন ঔষধ আৰু খাদ্য সামগ্ৰীৰ প্ৰথমটো খেপ পেলেষ্টাইনলৈ প্ৰেৰণ কৰিছিল। ৰাষ্ট্ৰসংঘৰ সাহায্য আৰু কাৰ্য সংস্থাৰ জৰিয়তে এই সামগ্ৰীখিনি প্ৰেৰণ কৰা হৈছে।

ooooooooo

হকী ইণ্ডিয়াই চলিত বৰ্ষৰ মহিলাৰ এছিয় চেম্পিয়নছ ট্ৰফী প্ৰতিযোগিতাৰ বাবে ১৮ জনীয়া ভাৰতীয় দলৰ সদস্যসকলৰ নাম ঘোষণা কৰিছে। বিহাৰৰ ৰাজগীৰ হকী ষ্টেডিয়ামত অহা মাহৰ ১১ৰ পৰা ২০ তাৰিখলৈ এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। হকী ইণ্ডিয়াৰ ঘোষণা অনুসৰি মিড ফিল্ডাৰ ছালিমা টেটেই বিগত বৰ্ষৰ বিজয়ী ভাৰতীয় দলটোক নেতৃত্ব দিয়াৰ বিপৰীতে ফৰৱাৰ্ড খেলুৱৈ নৱনীত কৌৰে উপ-অধিনায়কৰ দায়িত্ব পালন কৰিব।

প্ৰতিযোগিতাৰ প্ৰথম দিনটোত ভাৰতে মালয়েছিয়াৰ বিৰুদ্ধে খেলেৰে অভিযান আৰম্ভ কৰিব। ইয়াৰ পৰৱৰ্তী খেলসমূহত ঘৰুৱা দলটো ক্ৰমে চীন, জাপান, কোৰিয়া আৰু থাইলেণ্ডৰ মুখামুখি হ'ব।

oooooo

ভাৰত আৰু নিউজিলেণ্ডৰ মহিলা ক্ৰিকেট দলৰ মাজৰ তিনিখনীয়া এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আৰম্ভ হৈছে। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত
অনুষ্ঠিত খেলখনত নিউজিলেণ্ডে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ আমালৈ বাতৰি অহাৰ পৰলৈকে এক অ'ভাৰত এটাও উইকেট নেহেৰুৱাকৈ ১ ৰান সংগ্ৰহ কৰিছে।

দুয়োটা দলে ইতিমধ্যে শৃংখলাত একোখনকৈ খেলত জয়লাভ কৰিছে। ভাৰতীয় দলটো শৃংখলাৰ প্ৰথমখন খেলত জয়ী হোৱাৰ বিপৰীতে দ্বিতীয়খন খেলত আলহী দলটোৱে বিজয় সাব্যস্ত কৰিছিল।

ooooooo

**সমাপ্ত**